# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date : 13-12-2025** **Time : 1715 Hrs**

***Assamese Evening Bulletin***
***Headlines***

----------------------------

১। নাগৰিকত্ব সংশোধনী আইন, CAA-ৰ অধীনত এতিয়ালৈ বৰাকৰ দুগৰাকী ব্যক্তিৰ ভাৰতৰ নাগৰিকত্ব লাভ।

২। চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান খেলপথাৰত কেন্দ্ৰীয় সমবায় বিভাগৰ ৰাজ্য মন্ত্ৰী কৃষাণ পাল গুৰ্জ্জৰৰ চতুৰ্থ সমবায় মেলা উদ্বোধন।

৩। মন্ত্ৰী পিযুষ হাজৰিকাৰ ঐতিহাসিক বটদ্ৰবা প্ৰকল্পস্থলী পৰ্যবেক্ষন। *আৰু*

৪। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানত চাকৰি দিয়াৰ প্ৰলোভনেৰে ধন সংগ্ৰহ কৰাৰ অভিযোগত সত্যম তালুকদাৰ নামৰ এজন যুৱকক গ্ৰেপ্তাৰ।

০০০০০০

নাগৰিকত্ব সংশোধনী আইন, CAA-ৰ অধীনত এতিয়ালৈ বৰাকৰ দুগৰাকী ব্যক্তিয়ে ভাৰতৰ নাগৰিকত্ব লাভ কৰিছে। শ্ৰীভূমি জিলাত বাস কৰা বাংলাদেশৰ চট্টগ্ৰামৰ ৪০ বছৰীয়া এগৰাকী মহিলাক CAA-ৰ অধীনত ভাৰতীয় নাগৰিকত্ব প্ৰদান কৰা হৈছে। নাগৰিকত্ব লাভ কৰা মহিলাগৰাকীয়ে ২০০৭ চনত চিকিৎসাৰ বাবে আহি শ্ৰীভূমিৰ এজন ব্যক্তিৰ সৈতে বিবাহ পাশত আৱদ্ধ হৈ স্থায়ীভাৱে থাকিবলৈ আৰম্ভ কৰিছিল। ২০১৯ চনত CAA- গৃহীত হোৱাৰ পিছত নাগৰিকত্বৰ বাবে আবেদন কৰি দীৰ্ঘদিনীয়া প্ৰক্ৰিয়াৰ অন্তত কেন্দ্ৰীয় চৰকাৰৰ স্বীকৃতি লাভ কৰে। আনহাতে, শিলচৰৰ এজন ৬১ বছৰীয়া এজন ব্যক্তিও CAA-ৰ অধীনত ভাৰতীয় নাগৰিকত্ব লাভ কৰিছে।

০০০০০০০০

কেন্দ্ৰীয় সমবায় বিভাগৰ ৰাজ্য মন্ত্ৰী কৃষাণ পাল গুৰ্জ্জৰে আজি গুৱাহাটীৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান খেলপথাৰত চতুৰ্থ সমবায় মেলা উদ্বোধন কৰে। আত্মনিৰ্ভৰশীল ভাৰত গঢ়াৰ লগতে ২০৪৭ চনৰ ভিতৰত দেশখনক বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত সমবায় সমিতিসমূহৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে বুলি কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰীগৰাকীয়ে সংবাদমাধ্যমৰ আগত মন্তব্য কৰে।

বাইট

আজিৰ অনুষ্ঠানত ৰাজ্য চৰকাৰৰ সমবায় মন্ত্ৰী যোগেন মহন, কেন্দ্ৰীয় চৰকাৰৰ সমবায় বিভাগৰ জ্যেষ্ঠ বিষয়া আশীষ কুমাৰ ভূটানি, ৰাজ্য চৰকাৰৰ সমবায় বিভাগৰ সচিব অনন্ত লাল জ্ঞানীকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ বিষয়া উপস্থিত থাকে। এই মেলাৰ জৰিয়তে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন সমবায় সমিতিসমূহে অৰ্থনৈতিক ভেটি শক্তিশালী কৰাৰ যাত্ৰা প্ৰতিফলিত হৈছে বুলি মন্ত্ৰী শ্ৰীযোগেন মহনে মন্তব্য কৰে। উল্লেখযোগ্য যে ১৫ ডিচেম্বৰলৈ চলিবলগীয়া এই মেলাত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সমবায় সমিতিসমূহে অংশগ্ৰহণ কৰিছে। মেলাত হাতে বোৱা কাপোৰ, বাঁহ-বেতেৰে নিৰ্মিত সামগ্ৰী, পানী মেটেকা, মৰাপাটেৰে নিৰ্মিত সামগ্ৰী, কাঁহৰ সামগ্ৰী, পৰম্পৰাগত অসমীয়া গহণা, থলুৱা খাদ্য সম্ভাৰ, টেৰাকোটা সামগ্ৰীকে ধৰি বিবিধ সামগ্ৰী বিক্ৰী আৰু প্ৰদৰ্শন কৰা হৈছে। সমবায় মেলাৰ লগত সংগতি ৰাখি পৰম্পৰাগত সাজ-পাৰ, লোক নৃত্য, সুসজ্জিত বিপণী, সংগীত, কুইজ, তৰ্ক আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

০০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে অহা ২৯ ডিচেম্বৰত ঐতিহাসিক বটদ্ৰবা প্ৰকল্পৰ উদ্বোধন কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে এই কাৰ্যসূচী সুকলমে আয়োজন কৰাৰ লক্ষ্যৰে আজি মন্ত্ৰী পিযুষ হাজৰিকাই প্ৰকল্পস্থলী পৰ্যবেক্ষন কৰে। মন্ত্ৰী কেশৱ মহন্ত, বিধায়ক ৰূপক শৰ্মা, জিতু গোস্বামী আৰু শশীকান্ত দাসৰ সৈতে তেওঁ প্ৰকল্পস্থলী পৰিদৰ্শন কৰি কামসমূহৰ অগ্ৰগতিৰ বুজ লয়। বটদ্ৰবা থানখনক কলা-সংস্কৃতি আৰু আধ্যাত্মিকতাৰ অন্যতম প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লগতে পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দুলৈ ৰূপান্তৰ কৰাত এই প্ৰকল্পই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি মন্ত্ৰী পিযুষ হাজৰিকাই উল্লেখ কৰে।

বাইট

০০০০০০০

গোৱালপাৰা জিলাৰ চামাগুৰি গাঁৱত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত চতুৰ্থ ৱাংগালা তথা উৰপদ বিল উৎসৱৰ আজি সামৰণি পৰিব। আজি নিশা ৱাংগালা নৃত্যৰ লগতে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰ পিছত এই উৎসৱৰ অন্ত পৰিব। জিলাখনৰ অন্যতম পৰ্যটনস্থলী উৰপদ বিলৰ সংৰক্ষণ আৰু সৌন্দৰ্য বৰ্ধনৰ লগতে গাৰো জনগোষ্ঠীয় লোকসকলৰ কৃষিভিত্তিক উৎসৱ ৱাংগালাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ হকে এই অনুষ্ঠানৰ আয়োজন কৰা হয়। উল্লেখযোগ্য যে মেঘালয়, নাগালেণ্ড আৰু অসমত বাস কৰা গাৰো সম্প্ৰদায়ৰ লোকসকলে ৱাংগালা উৎসৱ পালন কৰে। প্ৰতিবছৰে গোৱালপাৰা জিলাৰ বিভিন্ন ঠাইত গাৰো জাতীয় পৰিষদৰ উদ্যোগত বিস্তৃত কাৰ্যসূচীৰে ৱাংগালা উৎসৱ পালন কৰা হয়। এইবেলিও গাৰো জাতীয় পৰিষদে জিলাখনত চতুৰ্থ বাৰৰ বাবে এই উৎসৱৰ আয়োজন কৰে।

০০০০০০০

দৰং জিলাৰ ধূলাৰ ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত নিয়মীয়া তালাচীৰ সময়ত কালি নিশা আৰক্ষীয়ে এখন বাহনৰ পৰা প্ৰায় ৫৫ কিলোগ্ৰাম ওজনৰ ভাং জব্দ কৰে। বাহনখন ৰৌতাৰ পৰা গুৱাহাটী অভিমুখে গৈ আছিল। বাহনখনত ১১টা বেগত ভাংখিনি লুকুৱাই ৰখা হৈছিল। ঘটনা সংক্ৰান্তত আৰক্ষীয়ে ওদালগুৰি জিলাৰ ৰৌতা থানাৰ অন্তৰ্গত সৰ্বহেৰুওৱা গাঁৱৰ শৰ্মা বড়ো আৰু নব্যব বড়ো নামৰ দুজন ব্যক্তিক গ্ৰেপ্তাৰ কৰিছে। ঘটনা সন্দৰ্ভত এটা গোচৰ ৰুজু কৰি আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

০০০০০০০

সমগ্ৰ দেশে আজি সংসদ ভৱন আক্ৰমণ প্ৰতিহত কৰিবলৈ গৈ প্ৰাণ হেৰুওৱা সুৰক্ষা বাহিনীৰ লোক তথা এই আক্ৰমণৰ বলি হোৱা লোকসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এই আক্ৰমণত প্ৰাণাহুতি দিয়া সাহসী নিৰাপত্তা বিষয়াসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে দেশৰ জাতীয় ভাৱনাক নিজৰ কৰ্তব্যৰ জৰিয়তে অবিৰতভাৱে দিশ দেখুৱাই যোৱা এই বীৰসকলৰ সাহস আৰু ত্যাগক দেশে অভিবাদন জনাইছে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে ছহিদ তথা তেওঁলোকৰ পৰিয়ালৰ প্ৰতি দেশ চিৰঋণী হৈ থাকিব বুলিও উল্লেখ কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী ড° এল মুৰুগানে ২০০১ চনৰ আজিৰ দিনটোত হোৱা সংসদ ভৱন আক্ৰমণত প্ৰাণাহুতি দিয়া সাহসী নিৰাপত্তা বিষয়াসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। গৃহমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমৰ জৰিয়তে ছহিদসকলে প্ৰদৰ্শন কৰা অদমনীয় সাহস আৰু বীৰত্বক সোঁৱৰণ কৰে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ২০০১ চনৰ সন্ত্ৰাসবাদী আক্ৰমণৰ সময়ছোৱাত নিৰাপত্তা বিষয়াসকলে সংসদ ভৱনক সুৰক্ষা দিবলৈ কিদৰে চেষ্টা কৰিছিল সেই সন্দৰ্ভত আলোকপাত কৰে। তেওঁলোকৰ সাহস, চূড়ান্ত ত্যাগ আৰু অতুলনীয় দায়িত্ব জ্ঞান দেশবাসীয়ে চিৰকাল মনত ৰাখিব বুলি তেওঁ উল্লেখ কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয় শংকৰে কয় যে তেওঁলোকৰ বীৰত্বই সন্ত্ৰাসবাদক সকলো ধৰণেৰে নিৰ্মূল কৰাৰ বাবে জাতিটোৰ দৃঢ়তাক অধিক শক্তিশালী কৰি তোলে। তথ্য আৰু সম্প্ৰচাৰ ৰাজ্যৰ মন্ত্ৰী ড° এল মুৰুগানেও সাহসী সেনানীসকলৰ বীৰত্বই দেশৰ গণতন্ত্ৰক সুৰক্ষা দি সাৰ্বভৌমত্ব বজাই ৰখাত সৰ্বোচ্চ বৰঙণি দি আহিছে বুলি উল্লেখ কৰে। উল্লেখযোগ্য যে ২০০১ চনৰ আজিৰ দিনটোতে সন্ত্ৰাসবাদীয়ে

সংসদ ভৱনত আক্ৰমণ চলাইছিল। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোকসভাৰ অধ্যক্ষ ওম বিৰলা, কেন্দ্ৰীয় মন্ত্ৰী তথা সংসদৰ সদস্যসকলে আজি সংসদ ভৱন চৌহদত এই আক্ৰমণৰ ছহিদসকলৰ প্ৰতি শ্ৰদ্ধা জনাই পুষ্পাঞ্জলি তৰ্পণ কৰিছে।

০০০০০০০০

ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানত চাকৰি দিয়াৰ প্ৰলোভনেৰে ধন সংগ্ৰহ কৰাৰ অভিযোগত আৰক্ষীৰ অপৰাধ শাখাই সত্যম তালুকদাৰ নামৰ এজন যুৱকক গ্ৰেপ্তাৰ কৰিছে। চাইবাৰ থানাত ৰুজু হোৱা এটা গোচৰৰ ভিত্তিত আৰক্ষীয়ে গুৱাহাটী মহানগৰীৰ কাহিলিপাৰৰ পৰা অভিযুক্ত তালুকদাৰক গ্ৰেপ্তাৰ কৰে। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ লেবৰেটৰী টেকনিচিয়ান পদত চাকৰি দিয়াৰ নামত সত্যম তালুকদাৰে বিভিন্ন লোকৰ পৰা ধন সংগ্ৰহ কৰিছিল বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০

গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ মহিলা চিকিৎসক সকলৰ সংস্থা **সঞ্জিৱনীৰ** সহযোগত আজি গুৱাহাটী প্ৰেছ ক্লাবত এটা বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। মেডিচিন, ই এন টি, চকুৰোগ, প্ৰসূতি, শিশুৰোগ, চৰ্মৰোগ, গেষ্ট্ৰ'ল'জি আদি বিভাগৰ বিশেষজ্ঞ চিকিৎসকসকলে এই শিবিৰত স্বাস্থ্য সেৱা আগবঢ়ায়। এই স্বাস্থ্য পৰীক্ষা শিবিৰত সাংবাদিক আৰু সাংবাদিকৰ পৰিয়ালৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়।

০০০০০০০

হোজাই জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত জিলাখনৰ সদৰ শ্ৰীমন্ত শংকৰদেৱ নগৰৰ আদালতৰ চৌহদত আজি ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হৈছে। এই আদালতৰ জৰিয়তে ফৌজদাৰী, দেৱানী, পাৰিবাৰিক, মটৰ দুৰ্ঘটনা সম্পৰ্কীয়, ন্যায়াধীকৰণ, ৰাজহ সম্পৰ্কীয় গোচৰকে ধৰি ন্যায়িক আদালতত আপোচযোগ্য বিভিন্ন গোচৰৰ ব্যয়হীন খৰতকীয়া নিষ্পত্তিৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০০

**সমাপ্ত**